।। চিৰ চেনেহী মোৰ ভাষা জননী ।।

# বকো সাহিত্য সভা পত্ৰিকা

## ৬০ সংখ্যক বাৰ্ষিক অধিবেশন

১৪২৬ ভাস্কৰাব্দ ঃ ২০১৯ খ্ৰীষ্টাব্দ

প্ৰথম সংখ্যা

৮ পুহ ঃ ২৫ ডিচেম্বৰ

বকো সাহিত্য সভা ভৱন

# বকো সাহিত্য সভাৰ পত্ৰিকা

শ্ৰীবিজয়া ডেকা
পত্ৰিকা সম্পাদক

অৰিহণাঃ ১০০.০০ টকা

প্ৰচ্ছদ ঃ সম্পাদনা সমিতি

অক্ষৰ বিন্যাস
সুৰেশ কুমাৰ ৰাভা
প্ৰতিমা ৰাভা

ছপা
অলিভিয়া অফ্‌ছেট, বকো
পিন- ৭৮১১২৩

**Boko Sahitya Sabha Patrika :** An Annual Publication of Boko Sahitya Sabha on th occasion of 60th of its Annual Conference, published by the Secretary, Boko Sahitya Sabha

সম্পাদনা সমিতি

উপদেষ্টা ঃ ড° গণেশ্বৰ চহৰীয়া
সভাপতি ঃ শ্ৰীলক্ষীকান্ত শৰ্মা
সম্পাদক ঃ শ্ৰীসুৰেন চন্দ্ৰ কলিতা
পত্ৰিকা সম্পাদক ঃ শ্ৰীবিজয়া ডেকা
সদস্য-সদস্যা ঃ গৌৰাঙ্গ ঠাকুৰীয়া, নৃপেন ভাগৱতী, নীলমণি উপাধ্যায়, বিষ্ণু ৰাম দাস, অলকা ৰাভা।

।। কৃতজ্ঞতা স্বীকাৰ।।

পত্ৰিকাখনিৰ সমুদায় ছপা খৰছ বকো সাহিত্য সভাৰ পত্ৰিকা সম্পাদক, জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ শিক্ষা বিভাগৰ মূৰব্বী তথা সহযোগী অধ্যাপিকা শ্ৰীযুতা বিজয়া ডেকাই বহন কৰিছে।
বকো সাহিত্য সভাৰ তৰফৰ পৰা কৃতজ্ঞতা জনালোঁ।

শ্ৰীসুৰেন চন্দ্ৰ কলিতা
সম্পাদক
তাং- ২৩/১২/২০১৯ বকো সাহিত্য সভা

## সম্পাদকীয় -



সাহিত্য জাতিৰ দাপোণ য'ত একোটা জাতিৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটে। সাহিত্য সংস্কৃতিয়ে জনগণক প্ৰভাবিত কৰে আৰু সুপথে পৰিচালিত কৰিবলৈ সক্ষম হয়। সেয়েহে সময়ৰ দাবী,সময়ৰ চিন্তা সাহিত্যত প্ৰতিফলন ঘটা উচিত।

এই কথা ঠিক যে সময়ৰ সোঁতত সকলো ভাষা সংস্কৃতিৰে পৰিবৰ্তন আৰু পৰিবৰ্দ্ধন হয়। এই পৰিবৰ্দ্ধনে ভাষা একোটাক চহকী কৰে। কিন্তু এই ক্ষেত্ৰত আমি সদায় সজাগ হ'ব লাগিব যাতে এই পৰিবৰ্দ্ধনৰ ফলত নিজা ভাষা সংস্কৃতিত কোনো ধৰণৰ বিৰূপ প্ৰভাৱ নপৰে। অথবা ভাষাটোৰ নিজস্বতা হেৰাই নাযায়।

নানান জাতি-উপজাতিৰে গঠিত বৰ্ণাঢ্য অসমীয়া জাতি। অসমীয়া জাতিৰ বাবে বহনীয়া ভাষা সংস্কৃতি অতি চহকী। বহুতো বৰেণ্য সাহিত্যিক, শিল্পী তথা কলা-কুশলীয়ে স্ব-প্ৰতিভাৰে ভাষা জননীক সেৱা কৰি অসমীয়া ভাষা সাহিত্যক বিশ্বৰ দৰবাৰত থিয় কৰাবলৈ অহোপুৰুষাৰ্থ চেষ্টা কৰি আহিছে। অতি সম্প্ৰতিকালত অসমৰ ভাষা সংস্কৃতিৰ ক্ষেত্ৰখনিলৈ ভাবুকি অহা বুলি জাতীয় চেতনা জাগৃত হৈছে। বিশেষকৈ জাতি-মাটি-ভেটি ৰক্ষাৰ ক্ষেত্ৰত অসমীয়া জনগণ এক প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। এই প্ৰত্যাহ্বান বিভিন্ন ধৰণে, বিভিন্ন দিশেৰে আহিছে। এফালে চৰকাৰৰ অমনোযোগিতা, এচাম দুষ্কৃতিকাৰী তথা অসমীয়া ভাষা সংস্কৃতি বিৰোধী লোকৰ চক্ৰান্তত যেন অসমীয়া ভাষা, অসমীয়া জাতি সংকটাপন্ন অৱস্থাত উপনীত হৈছে। এনে এক সন্ধিক্ষণত আমি সকলোৱে মাৰ বান্ধি থিয় দি সাহসেৰে যুঁজ দিবলৈ সাজু হোৱা উচিত। আমাৰ অতিকৈ আদৰৰ ভাষাটিৰ যেন হৰণ-ভগন নহয় তাৰ বাবে আমি সকলোৱে হাতে-কামে আগবাঢ়িব লাগিব। নিজৰ ভাষাটি ভালদৰে শিকা, ব্যৱহাৰ কৰাৰ ওপৰত আমি ধ্যান দিবলৈ নৱ-প্ৰজন্মক উদ্বুদ্ধ কৰাটো আমাৰ দায়িত্ব।

অসম সাহিত্য সভাৰ ছত্ৰছায়াত ১৯৫৯ চনতে বকো অঞ্চলৰ কিছু সাহিত্য প্ৰেমী ৰাইজৰ প্ৰচেষ্টাত বকো সাহিত্য সভা (পৰিষদ) গঠন হৈছিল। দীঘলীয়া পৰিক্ৰমাত নানা কাৰ্যক্ৰমণিকা ৰূপায়ণ কৰি বকো সাহিত্য সভাই ১৯১৭ চনত স্বৰ্ণ শাখা ৰূপে স্বীকৃতি লাভ কৰিবলৈ সক্ষম হৈছে। ইতিমধ্যে কেবাখনো স্মৃতিগ্ৰন্থ, পুথি, প্ৰকাশ কৰিছে যদিও বকো সাহিত্য সভাই 'পত্ৰিকা' প্ৰকাশ কৰা নাই। বিগত ২০১৭ চনৰ দ্বিবাৰ্ষিক অধিবেশনত আমাৰ ওপৰত সভাই পত্ৰিকা সম্পাদকৰ দায়িত্ব অৰ্পণ কৰে। নানান বিজুতিৰ মাজতো সাহিত্য প্ৰেমী, কাৰ্যকৰী সমিতিৰ বিষয়ববীয়াসকলৰ প্ৰচেষ্টাত পত্ৰিকাখনিয়ে প্ৰকাশৰ মুখ দেখিলে। এই চেগতে সদৌটিলৈ কৃতজ্ঞতা জ্ঞাপন কৰি ভুল ক্ৰটিৰ বাবে ক্ষমা বিচাৰিলোঁ।

।। চিৰ চেনেহী মোৰ ভাষা জননী ।।

২৩/১২/২০১৯

বিজয়া ডেকা

(বিজয়া ডেকা)
পত্ৰিকা সম্পাদক
বকো সাহিত্য সভা